অসম বিধান সভা

* তৰা যুক্ত প্ৰশ্ন নংঃ ১৮৩

উত্তৰ দিয়াৰ তাৰিখঃ ২৩-০৭-২০২৬

**বিষয়:** ভেঞ্চাৰ স্কুল প্ৰাদেশীকিকৰণ

**বিধায়কৰ নামঃ** শ্ৰী তাঞ্জিল হুছেইন

**প্ৰশ্নঃ**

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অসমত বৰ্তমানে কিমানখন অপ্ৰাদেশীকৃত (ভেঞ্চাৰ) হাইস্কুল আছে? উক্ত স্কুল সমূহ প্ৰাদেশীকিকৰণ কৰাৰ বাবে চৰকাৰে কিবা পৰিকল্পনা হাতত লৈছেনে? জিলা ভিত্তিক বিদ্যালয় সমূহৰ তালিকা দিব৷

(খ) ভেঞ্চাৰ স্কুল সমূহত কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰী সকলৰ পদ সমূহ প্ৰাদেশীকিকৰণ কেতিয়া কৰা হ'ব? পদ সমূহ প্ৰাদেশীকিকৰণ নোহোৱা পৰ্যন্ত শিক্ষক-শিক্ষয়িত্ৰী সকলক বিত্তীয় সাহায্য দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব নে?

**উত্তৰঃ**

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু মহোদয়ে উত্তৰ দিবঃ

(ক) The Assam Education (Provincialisation of Services of Teachers and Re-organisation of Educational Institutions) Act' 2017 ও (Amendment Act, 2018) অনুসৰি ইতিমধ্যে সকলো অপ্ৰাদেশিকৃত (ভেঞ্চাৰ) স্কুলৰ শিক্ষক সমূহৰ প্ৰাদেশিকীকৰণ হৈ গল৷ কিন্তু সংশোধনী আইন২০২৫ ৰ সংশোধিত প্ৰাৱধান অনুসৰি বৰ্তমানে কিমানখন অপ্ৰাদেশীকৃত (ভেঞ্চাৰ) স্কুলৰ শিক্ষক প্ৰাদেশিকীকৰণ কৰিব পৰা যাব তাৰ বাবে বিভাগে Provincialisation Management System নামৰ এটি PORTAL ত প্ৰাদেশিকীকৰণ আৰু লগতে গুৰুদক্ষিণা আঁচনিৰ অধীনত অনলাইন আবেদন গ্ৰহণৰ ব্যৱস্থা কৰিছে । ইতিমধ্যে উক্ত PORTAL ত আবেদন সমূহ আহি আছে৷ পৰৱৰ্তী সময়ত কিমানখন বিদ্যালয়ৰ পৰা আবেদন আহিল সেই বিষটোৰ সঠিক তথ্য পোৱা যাব৷

(খ) উপৰোক্ত PORTAL ত আবেদন গ্ৰহণৰ পৰ্যায় শেষ হোৱাৰ পিছত পৰীক্ষণ পৰ্যায়ৰ অন্তত এই বিষয়ে চৰকাৰে উপযুক্ত সিদ্ধান্ত লব পাৰিব৷

পদসমূহৰ প্ৰাদেশীকিকৰণ নোহোৱা পৰ্যন্ত আৰ্থিক সাহাৰ্য সন্দৰ্ভত বৰ্তমানে কোনো আইনত প্ৰাৱধান নাই৷

*----উপৰোক্ত প্ৰশ্নোত্তৰ National e-Vidhan Application (NeVA) পৰ্টেলত উপলব্ধ কৰা হৈছে। ---*